# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-SEP-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। ২০২৭ চনৰ ভিতৰত ব্ৰহ্মপুত্ৰত দুখন প্ৰমোদতৰী চলাচল কৰোৱা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ঘোষণা।

২। প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে পঢ়োৱা শিক্ষকসকল টেট উত্তীৰ্ণ হোৱাটো বাধ্যতামূলক বুলি উচ্চতম ন্যায়ালয়ৰ গুৰুত্বপূৰ্ণ ৰায়।

৩। ২২ ছেপ্তেম্বৰত হ'বলগীয়া বিটিচি নিৰ্বাচনৰ মনোনয়ন দাখিল পৰ্বৰ সামৰণি। বিভিন্ন ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ।

৪। বিগত তিনি মাহত ৰাজ্যত ৩৩ শতাংশ বৰষুণৰ পৰিমাণ হ্ৰাস পোৱা বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ তথ্যত প্ৰকাশ। **আৰু**

৫। অৰ্জুন বঁটাৰে সন্মানিত ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৰাজ্যিক ক্ৰীড়া দিৱস উদযাপন। বিভিন্ন জিলাত অভিৰুচি ক্ৰীড়া দিৱসৰ কাৰ্যসূচী।

০০০০০০

২০২৭ চনৰ ভিতৰত ব্ৰহ্মপুত্ৰত দুখন প্ৰমোদতৰী চলাচল কৰোৱা হ'ব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অহা ২৭ অক্টোবৰৰ পৰা ৩১ অক্টোবৰলৈ মুম্বাইত হ'বলগীয়া ভাৰতীয় সামুদ্ৰিক সপ্তাহ, ২০২৫-ৰ সৈতে সংগতি ৰাখি কালি গুৱাহাটীত আয়োজিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ পাছত এই কথা প্ৰকাশ কৰে। ২৫০ কোটি টকা ব্যয়সাপেক্ষে কোলকাতাত জাহাজ দুখন নিৰ্মাণ কৰি থকা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। ইয়াৰ লগতে বৰাক আৰু ব্ৰহ্মপুত্ৰৰত প্ৰায় ১০০ খন মালবাহী জাহাজ চলাচল কৰোৱা হ'ব। মন্ত্ৰীগৰাকীয়ে কয় যে জাৰ্মানীৰ আগশাৰীৰ পৰিবহন কোম্পানী ৰেনাছ লজিষ্টিক প্ৰাইভেট লিমিটেডে বৰাক-ব্ৰহ্মপুত্ৰ আৰু গংগাক লৈ অধ্যয়ন সম্পূৰ্ণ কৰিছে। এই অধ্যয়নত বৰাক, ব্ৰহ্মপুত্ৰ আৰু গংগাত মালবাহী জাহাজ চলাচলৰ সুবিধা আছে বুলি প্ৰকাশ কৰা হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত এই বছৰৰ পৰাই তিনিওখন নদীত মালবাহী জাহাজ চলাচলৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

বাইট

অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ আভ্যন্তৰীণ জল পৰিবহণ আন্তঃগাঁথনিত বিগত দুবছৰত এহেজাৰ কোটিৰো অধিক ধন বিনিয়োগ কৰা হৈছে। তেওঁ সকলো অংশীদাৰকে ভাৰতীয় সামুদ্ৰিক সপ্তাহৰ কাৰ্যসূচীলৈ আদৰণি জনোৱাৰ লগতে দেশৰ সৰ্ববৃহৎ সামুদ্ৰিক কাৰ্যসূচীৰ অংশ হ'বলৈ আহ্বান জনায়। এই কাৰ্যসূচীত কমেও এশ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে কয়। এই অনুষ্ঠানৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ জলপথ ব্যৱহাৰ পৰ্যটন খণ্ডৰ প্ৰসাৰৰ দিহা কৰা হ'ব। ইয়াৰ জৰিয়তে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক দেশৰ জল পৰিবহণ খণ্ডৰ বিকাশৰ অংশীদাৰ কৰি তোলাৰ লক্ষ্য লোৱা হৈছে বুলি তেওঁ কয়। শ্ৰীসোণোৱালে কয় যে অসমত গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ ১৪ খন প্ৰমোদতৰী চলাচল কৰি আছে।

০০০০০০

উচ্চতম ন্যায়ালয়ে কালি এটা গুৰুত্বপূৰ্ণ ৰায়যোগে প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে পঢ়োৱা শিক্ষকসকল টেট উত্তীৰ্ণ হোৱাটো বাধ্যতামূলক কৰিছে। অৱশ্যে সংখ্যালঘু শৈক্ষিক প্ৰতিষ্ঠানৰ ক্ষেত্ৰত এই ৰায় কাৰ্যকৰী নহয়।

যিসকল শিক্ষকৰ চাকৰিৰ কাৰ্যকাল ৫ বছৰ বা তাতকৈ কম সময় বাকী আছে, তেওঁলোকে টেট উত্তীৰ্ণ নোহোৱাকৈ বাকী সময়খিনিত চাকৰি কৰি যাব পাৰিব। অৱশ্যে পদোন্নতি বিচাৰিলে টেট উত্তীৰ্ণ হ'ব লাগিব বুলি কোৱা হৈছে। যিসকল শিক্ষকৰ চাকৰিৰ কাৰ্যকাল পাঁচ বছৰৰ অধিক বাকী আছে, তেওঁলোকে দুবছৰৰ ভিতৰত টেট উত্তীৰ্ণ হ'ব লাগিব। দুবছৰৰ ভিতৰত টেট উত্তীৰ্ণ নহ'লে তেওঁলোকক চাকৰিৰ পৰা অব্যাহতি দিয়া হ'ব আৰু অৱসৰকালীন সা-সুবিধা লাভ কৰিব। এই ৰায় শিক্ষা অধিকাৰ আইন কাৰ্যকৰী হোৱাৰ আগেয়ে অৰ্থাৎ ২০০৯ চনত শিক্ষক নিযুক্তি লাভ কৰা শিক্ষকসকলৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

০০০০০০

অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া বিটিচি নিৰ্বাচনৰ মনোনয়ন দাখিল পৰ্বৰ কালি সামৰণি পৰে। কালি নিশা পৰ্যন্ত পোৱা তথ্য অনুসৰি তামুলপুৰত পাঁচটা পৰিষদীয় সমষ্টিৰ বাবে কালি ২১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। দৰঙাজুলি, নাগ্ৰীজুলি আৰু শুক্লাই চেৰফাং সমষ্টিৰ মনোনয়ন পত্ৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত গ্ৰহণ কৰা হয়। গয়বাৰী আৰু গোৰেশ্বৰ সমষ্টিৰ বাবে প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ গোৰেশ্বৰ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত জমা কৰা হয়। কোকৰাঝাৰত ১২ টা পৰিষদীয় সমষ্টিৰ বাবে মুঠ ১২৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। জিলাখনত মনোনয়ন পত্ৰ দাখিলৰ কালি অন্তিম দিনা  বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য আৰু ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োৱে  দোতমা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰে। দেৱৰগাঁও সমষ্টিত বি পি এফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়েও কালি মনোনয়ন পত্ৰ জমা কৰে। চিৰাং জিলাত ৭ টা পৰিষদীয় সমষ্টিত কালি ৩৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।  জিলাখনত মনোনয়ন দাখিল আৰু নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা কুঞ্জ মোহন ৰায়–

বাইট

বাক্সা জিলাত ছটা সমষ্টিৰ বাবে ৬১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰে ৪৫গৰাকীয়ে কালি আৰু ১৬ গৰাকীয়ে পৰহি মনোনয়ন দাখিল কৰে। অৱশ্যে এতিয়ালৈকে মনোনয়ন দাখিল কৰা প্ৰাৰ্থীৰ সংখ্যা সন্দৰ্ভত শেহতীয়া তথ্য পোৱা হোৱা নাই আৰু এই সংখ্যা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

ইপিনে এই নিৰ্বাচনৰ বাবে বিজেপি,  ইউ পি পি এল, কংগ্ৰেছ, বি পি এফকে ধৰি দলসমূহে ব্যাপক নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। দলসমূহে জিলাকেইখনত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰাৰ লগতে সভা-সমিতি পাতি ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে।

০০০০০০

ৰাজ্যত শালি খেতিৰ সময়ছোৱাত বৰষুণৰ নাটনিয়ে খেতিয়কক সমস্যাত পেলাইছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে সদৰি কৰা অনুসৰি জুন মাহৰ পৰা বৰ্তমানলৈকে ৰাজ্যত ৩৩ শতাংশ বৰষুণৰ পৰিমাণ হ্ৰাস পাইছে। বিভাগটোৱে দিয়া বিগত তিনিমাহৰ বৰষুণৰ তথ্য অনুসৰি অসমত স্বাভাৱিতকৈ ৩৭ শতাংশ বৰষুণৰ পৰিমাণ কম হোৱাৰ লগতে উত্তৰ-পূবৰ দুখন ৰাজ্য অৰুণাচল আৰু মেঘালয়ত ৪৩ শতাংশ বৰষুণৰ পৰিমাণ হ্ৰাস পাইছে। গুৱাহাটীৰ বৰঝাৰস্থিত আঞ্চলিক বতৰ কেন্দ্ৰৰ তথ্য অনুসৰি যোৱা তিনিমাহত ৰাজ্যৰ ৩৫ খন জিলাৰ ২৫ খন জিলাতেই এই সময়ছোৱাত স্বাভাৱিতকৈ কম বৰষুণ হৈছে। বৰপেটা জিলাত আটাইতকৈ কম বৰষুণ হোৱা বুলি কেন্দ্ৰটোৱে প্ৰকাশ কৰিছে। জিলাখনত স্বাভাৱিতকৈ ৫৪ শতাংশ বৰষুণ কম হোৱাৰ লগতে বজালী ৫৫ শতাংশ আৰু বঙাইগাঁও জিলাত ৫১ শতাংশ বৰষুণ কম হোৱা বুলি আঞ্চলিক বতৰ কেন্দ্ৰই তথ্য প্ৰকাশ কৰিছে। ৰাজ্যৰ আন ২২ খন জিলাত স্বাভাৱিতকৈ ২০ শতাংশৰ পৰা ৪৯ শতাংশ বৰষুণৰ পৰিমাণ হ্ৰাস পাইছে। উল্লেখযোগ্য যে উজনি অসমৰ একমাত্ৰ চৰাইদেউ জিলাতেই অতিৰিক্তভাৱে ৫৩ শতাংশ বৰষুণ হোৱা বুলি তথ্যত প্ৰকাশ পাইছে।

০০০০০০

অৰ্জুন বঁটাৰে সন্মানিত ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৰাজ্য চৰকাৰে আজি ৰাজ্যিক ক্ৰীড়া দিৱস উদযাপন কৰিছে। ১৯৬৬ চনৰ এছিয়ান গেম্ছত স্বৰ্ণ পদক অৰ্জনেৰে ইতিহাস ৰচা প্ৰসিদ্ধ ক্ৰীড়াবিদগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি আজি গুৱাহাটীত বিয়লি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত সৰুসজাই ক্ৰীড়া

প্ৰকল্পক অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্প হিচাপে নামকৰণ কৰা হ'ব। এই অনুষ্ঠানতে ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পদক বিজয়ী অসমৰ খেলুৱৈসকলক নিযুক্তি পত্ৰ আৰু আৰ্থিক পুৰস্কাৰ প্ৰদান কৰা হ'ব। তদুপৰি ২০২৪-২৫ বৰ্ষৰ ৰাজ্যিক ক্ৰীড়া বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত ২০২৫-২৬ বৰ্ষৰ ৰাজ্যিক ক্ৰীড়া বঁটা ঘোষণা আৰু ক্ৰীড়া পেঞ্চন প্ৰদান কৰা হ'ব। খেল' ইণ্ডিয়া, ২০২৫ বৰ্ষৰ পদক বিজয়ীসকলক আৰ্থিক পুৰস্কাৰ আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলক বীৰ চিলাৰায় বঁটাও প্ৰদান কৰা হ'ব। ৰাজ্যিক সেৰা আঁচনিৰ বঁটাসমূহো এই অনুষ্ঠানতে বিতৰণ কৰা হ'ব। ১৭ বছৰ অনুৰ্ধ ছোৱালীৰ সুব্ৰত কাপ আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ বিজয়ী দলক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে খেল মহাৰণ বিষয়ক গ্ৰন্থ উন্মোচন কৰা হ'ব।

ইপিনে, ক্ৰীড়াবিদগৰাকীৰ জন্মদিন উপলক্ষে আজি ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে গুৱাহাটীত কেন্দ্ৰীয়ভাৱে অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হৈছে। এই অনুসৰি দিৱসৰ মূল কাৰ্যসূচী – সামুহিক দৌৰ এইবাৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত আৰম্ভ হৈ ভেটাপাৰা হকী ষ্টেডিয়াম পৰিভ্ৰমণ কৰি পুনৰ সৰুসজাইৰ মূল এথলেটিক ষ্টেডিয়ামত সামৰণি পৰিছে।

গোলাঘাট জিলাৰ ফৰকাটিং ক্ৰীড়া সন্থা আৰু বোকাখাত জিলা মাষ্টাৰ্ছ এথলেটিক ক্ৰীড়া সন্থাৰ উদ্যোগত আজি অভিৰুচি ক্ৰীড়া দিৱসৰ সমূহীয়া দৌৰ অনুষ্ঠিত হয়। এই দৌৰত বোকাখাত মাষ্টাৰ্ছ এথলেটিক সন্থাৰ লগতে নামদৈয়াং স্পৰ্টছ ক্লাব আৰু কেইবাটাও ক্ৰীড়ানুষ্ঠানৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। মঙলদৈত আজি নৰ্থ-মঙলদৈ ক্লাবৰ উদ্যোগত অভিৰুচি ক্ৰীড়া দিৱস অনুষ্ঠিত কৰা হয়। এই উপলক্ষে বক্সিং খেলুৱৈ যমুনা বড়ো, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ যোগ ক্ৰীড়াবিদ বিশাল ভৰদ্বাজ আৰু ৰাজ্যিক পৰ্যায়ৰ প্ৰাক্তন ফুটবল, কাবাডী আৰু খো খো খেলুৱৈ তথা ক্ৰীড়া সংগঠক গণেশ দত্তক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পূৰ্বে জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে সমূহীয়া দৌৰ ফ্লেগ অফ কৰে।

০০০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ গৱেষকসকলে গাখীৰৰ প্ৰটিন আৰু থাইমিনৰ পৰা এটা নতুন সংবেদক বিকশিত কৰিবলৈ সমৰ্থ হৈছে। এই নতুন সংবেদকে পানীত পাৰা আৰু টেট্ৰচাইক্লিন এণ্টিবায়'টিকৰ প্ৰদূষণ চিনাক্ত কৰিব পৰা যাব। ৰসায়ন বিভাগৰ অধ্যাপক লাল মোহন কুণ্ডুৰ নেতৃত্বত গৱেষণক পল্লৱী পল আৰু অনুষ্কা চক্ৰৱৰ্তীৰ সহযোগত এই নতুন সংবেদক বিকশিত কৰিবলৈ সমৰ্থ হৈছে। এই অধ্যয়নৰ ফলাফল অধ্যাপক লাল মোহন কুণ্ডুৰ সহলেখকৰ দ্বাৰা প্ৰকাশিত প্ৰতিষ্ঠিত গৱেষণা পত্ৰ মাইক্ৰ' চিমিকা এক্ট'ত প্ৰকাশ পাইছে।

০০০০০০

নয়ডাত ছেমিকন সন্মিলন উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডনাল্ড ট্ৰাম্পক প্ৰত্যাহ্বান জনাই কয়, যে ভাৰত বিশ্বৰ তৃতীয় অৰ্থনীতি হোৱাৰ সঠিক পথেৰে আগুৱাইছে। **অসমীয়া প্ৰতিদিন** কাকতে গুৰুত্বসহকাৰে এই বাতৰি প্ৰকাশ কৰিছে।

জি এম চি এইচত নৱজাকৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত তদন্ত কমিটীৰ প্ৰতিবেদনৰ ভিত্তিত চিকিৎসকসহ সাতগৰাকী স্বাস্থ্যকৰ্মীক নিলম্বন কৰাৰ বাতৰি **দি আছাম ট্ৰিবিউন কাকতে** প্ৰথম পৃষ্ঠাত শীৰ্ষস্থান দিছে।

২০২৭ চনৰ ভিতৰত ব্ৰহ্মপুত্ৰত দুখন ক্ৰুজ জাহাজ মুকলি কৰা হব। ২৫০ কোটি টকা ব্যয়েৰে জাহাজ দুখন কলকাতাত নিৰ্মাণ কৰি থকা হৈছে। ভাৰত সামুদ্ৰিক সপ্তাহ-২০২৫ৰ ৰোড শ্বত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। এয়া **দৈনিক অসম** কাকতৰ প্ৰথম পৃষ্ঠাৰ বাতৰি। একেটা বাতৰিকে **দ্য চেন্টিনেল** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

মৰাণ জনগোষ্ঠীক জনজাতিকৰণ আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্বশাসন প্ৰদানৰ দাবীত জনগোষ্ঠীটোৰ ছটাকৈ সংগঠনে কালি জোৰ সমদল কাৰ্যসূচী ৰূপায়ন কৰাৰ বাতৰি জনজাতিকৰণৰ চাপ বৃদ্ধি দিচপুৰলৈ শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে।

ৰাহুল গান্ধীৰ ভোট অধিকাৰ যাত্ৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাতৃক আশালীন মন্তব্য কৰাক কেন্দ্ৰ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে কংগ্ৰেছ-আৰ জে ডিয়ে মোৰ মাকেই নহয়, বৰং দেশৰ সকলো মাতৃকে গালি পাৰিছে। **দ্য টাইমছ অব ইণ্ডিয়া** কাকতে এই বাতৰিক গুৰুত্ব দিছে। একেটা বাতৰিৰে **দৈনিক জনমভূমি** কাকতৰ শিৰোনাম- মাতৃক গালি পৰাক লৈ প্ৰদানমন্ত্ৰীৰ আৱেগিক প্ৰতিক্ৰিয়া।

শাৰদীয় দুৰ্গা পূজাক কেন্দ্ৰ কৰি বিশ্বেশ্বৰ দেৱালয়ত ৫০ টাৰো অধিক মহ বলিৰ প্ৰস্তুতি চলাৰ বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰকাশ কৰিছে।

**নিয়মীয়া বাৰ্তা** কাকতে ছুডানত হোৱা ভয়ংকৰ ভূমিস্খলনত এখন গাওঁ বোকাত পোত যোৱাৰ লগতে সহস্ৰাধিকৰ মৃত্যু হোৱাৰ বাতৰি আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

দীৰ্ঘদিন ধৰি ধন আদায় নিদিয়াৰ অভিযোগত জলজীৱন মিচনৰ ঠিকাদাৰসকলে প্ৰতিবাদ কৰাৰ বাতৰি **আমাৰ অসম** কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ – এই তিনিটা নম্বৰৰ যিকোনো এটা নম্বৰলৈ হোৱাট্ছএপযোগে পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু শ্ৰেষ্ঠ বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০০০

বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অধীনৰ কৰাৰপুৰৰ ২ নম্বৰ ৰাজ্যিক ঘাইপথত থকা বেকী নৈৰ দলঙৰ পশ্চিম দিশত কালি খহনীয়াই গুৰুতৰ ৰূপ ধাৰণ কৰে। কালি বিয়লি দলংখনৰ পশ্চিম দিশৰ ঘাইপথৰ অংশ নদীৰ বুকুত খহি পৰাৰ লগে লগে ৰাইজৰ মাজত হুৰা-দুৰা লাগে। খহনীয়া আৰম্ভ হোৱাৰ পাছতে জলসম্পদ বিভাগে জিঅ' বেগৰ জৰিয়তে প্ৰতিৰোধৰ কাম আৰম্ভ কৰে আৰু নিশাও এই কাম কৰা হয়। উল্লেখযোগ্য যে ৰাজ্যিক ঘাইপথটোৰ এটা বৃহৎ অংশ ইতিমধ্যে নদীৰ বুকুত জাহ গৈছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বিয়লি আৰু সন্ধিয়াৰ ভাগত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত